ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ
বুৰঞ্জী বিভাগৰ প্ৰথম ষাণ্মাসিকৰ অনুমোদিত
সন্মান (Major) পাঠ্যক্ৰমৰ অন্তৰ্গত 'Introduction to
History and its Sources' শীৰ্ষক পাঠ্যপুথিৰ আধাৰত

# ইতিহাসৰ পৰিচয় আৰু সমল



KIRAN PRAKASHAN, DHEMAJI

গৌতম শৰ্মা

Scanned by CamScanner

**অৰ্থশাস্ত্ৰ (Arthasastra) ঃ**

কৌটিল্য, চাণক্য বা বিষ্ণুগুপ্ত আছিল অৰ্থশাস্ত্ৰ নামৰ বিখ্যাত গ্ৰন্থখনৰ লেখক। কৌটিল্য আছিল এজন ব্ৰাহ্মণ পণ্ডিত, যি জন ব্যক্তিয়ে প্ৰাচীন ভাৰতৰ উত্তৰ পশ্চিম সীমান্তৰ তক্ষশীলা বিশ্ববিদ্যালয়ত (বৰ্তমান পাকিস্তানৰ অন্তৰ্গত) শিক্ষা গ্ৰহণ কৰিছিল। কৌটিল্যই মৌৰ্য বংশৰ প্ৰথম ৰজা চন্দ্ৰগুপ্ত মৌৰ্যৰ লগ লাগি নন্দসকলক সিংহাসনৰ পৰা বিতাড়িত কৰি মগধত এক নতুন ৰাজবংশ প্ৰতিষ্ঠা কৰি সেই ৰাজ্যৰ উপদেষ্টা তথা প্ৰধানমন্ত্ৰী পদত অধিস্থিত হৈছিল। এইজন কৌটিল্যই ৰাষ্ট্ৰ বিজ্ঞান সম্বন্ধীয় তেওঁৰ বিখ্যাত গ্ৰন্থ 'অৰ্থশাস্ত্ৰ' খনি লিখি উলিয়াইছিল। গ্ৰন্থখনিত ৰাষ্ট্ৰৰ শাসন ব্যৱস্থা, ৰাজহ, ৰজাৰ কৰ্তব্য, সমাজতত্ব আদি বহুবোৰ বিষয়ৰ ওপৰত আলোকপাত কৰা হৈছে। এই দিশৰ পৰা কৌটিল্যৰ অৰ্থশাস্ত্ৰখনি মৌৰ্য ৰাজবংশ তথা ৰাষ্ট্ৰ ব্যৱস্থাৰ বিষয়ে জানিব পৰা এক গুৰুত্বপূৰ্ণ সমল হিচাপে বিবেচনা কৰিব পাৰি। কিন্তু এই পুথিখনিৰ সন্দৰ্ভত কেতবোৰ বিতৰ্ক নথকা নহয়। পুথিখনি লেখক আৰু লিখাৰ সময়ৰ ওপৰত ঐতিহাসিকসকলৰ মাজত দুটা দলৰ দুটা মত পোৱা যায়।

উল্লেখযোগ্য যে, 'অৰ্থশাস্ত্ৰ' খনি ১৯০৯ চনত আৱিস্কৃত হৈছিল, পণ্ডিত শ্যামশাস্ত্ৰীয়ে গ্ৰন্থখনিক ইংৰাজীলৈ অনুবাদ কৰিছে। গ্ৰন্থখনিৰ সন্দৰ্ভত কিছুমান ঐতিহাসিকে কেতবোৰ প্ৰশ্ন কৰিছে। তেওঁলোকৰ মতে কোন আছিল এই কৌটিল্য ? যদিও চন্দ্ৰগুপ্তৰ প্ৰধান মন্ত্ৰী চাণক্য জনেই কৌটিল্য বুলি ভৱা হয় তাতো সন্দেহ থাকি যায়। কিয়নো মেগাস্থিনিছৰ লগতে অন্যান্য সমসাময়িক গ্ৰীক লেখকসকলে চাণক্য বা কৌটিল্যৰ বিষয়ে কোনো কথা উল্লেখ কৰা নাই। তদুপৰি অৰ্থশাস্ত্ৰখন সম্পূৰ্ণ ৰূপত এতিয়াও পোৱা হোৱা নাই। পুথিখনৰ প্ৰথম অংশ পদ্যত লিখা হৈছে যদিও পিছৰ অংশ গদ্যত লিখা হৈছে। এই দিশৰ পৰা গ্ৰন্থখন ভিন-ভিন সময়ত লিখা যেন ভাৱ হয়। তদুপৰি ব্যাখ্যাৰ দিশৰ পৰা গ্ৰন্থখনিৰ তথ্যবোৰ এটাৰ পৰা আনটো পৃথক। গ্ৰন্থখনিত চীন দেশৰ ৰেচমৰ বিষয়ে উল্লেখ আছে। কিন্তু মৌৰ্য যুগত চীনদেশৰ লগত ভাৰতৰ কোনো তেনে ৰেচমৰ বাণিজ্যই হোৱা কথা জনা নাযায়। গ্ৰন্থখনিৰ ৰচক জনে প্ৰথম পুৰুষত কথাবোৰ ব্যক্ত কৰিছে আৰু সংস্কৃত ভাষাত গ্ৰন্থখনি পোৱা গৈছে কিন্তু মৌৰ্য যুগত প্ৰাকৃত ভাষাহে বহলভাৱে ব্যৱহাৰ কৰা হৈছিল। সকলোতকৈ গুৰুত্বপূৰ্ণ

Scanned by CamScanner

কথাটো হ'ল অৰ্থশাস্ত্ৰ গ্ৰন্থখনিত চন্দ্ৰগুপ্ত মৌৰ্যৰ নাম আৰু তেওঁৰ মৌৰ্য বংশৰ নাম লগতে লেখক চাণক্যৰ নামো ক'তো উল্লেখ নাছিল। এই সকলোবোৰ দিশ চালি-জাৰি চাই কিছুমান আধুনিক পণ্ডিতে অৰ্থশাস্ত্ৰৰ লেখক কৌটিল্য সম্ভৱত প্ৰথম খৃষ্টাব্দ নাইবা তৃতীয় আৰু চতুৰ্থ খৃষ্টাব্দৰ ভিতৰৰ লোক বুলি কয়। তেওঁলোকৰ মতে কৌটিল্য চন্দ্ৰগুপ্ত মৌৰ্যৰ সমসাময়িক নাছিল। কীথ, ভাণ্ডাৰকাৰ, আদিৰ মতে কৌটিল্য খৃষ্টীয় প্ৰথম শতিকাৰ লোক।

অন্যহাতেদি স্মিথ, শ্যাম আৰু গণপতি শাস্ত্ৰী, কে.পি. জয়ছোৱাল আদি ঐতিহাসিকৰ মতে কৌটিল্য আৰু চাণক্য একেজন ব্যক্তিয়েই আছিল। তেওঁলোকৰ মতে, মৌৰ্য যুগত চীনৰ ৰেচম ভাৰতলৈ আমদানি হৈছিল। এই চীন নামটোৱে চীন দেশক বুজোৱা হোৱা নাছিল, ভাৰতবৰ্ষৰ চুবুৰীয়া এটা ৰাজবংশকহে কোৱা হৈছিল। বিশাখাদত্তৰ মুদ্ৰাৰাক্ষস বৌদ্ধ আৰু জৈন সাহিত্যয়ো কৌটিল্যৰ নাম চাণক্য বুলি কৈছে। মেগাস্থিনিছ বা অন্যান্য গ্ৰীক লেখকসকলে এই বিষয়ে একো উল্লেখ নকৰাটো কোনো আচৰিত কথা নহয়, কাৰণ তেওঁলোকে বহু গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰাৰ পৰা বহু সময়ত বিৰত আছে। তদুপৰি অৰ্থশাস্ত্ৰৰ শাসন প্ৰণালীৰ সৈতে চন্দ্ৰগুপ্তৰ ৰাজত্বকাল মিল আছে। এতেকে এই সকলো দিশৰ পৰা গ্ৰন্থখনিক মৌৰ্য যুগৰ সমসাময়িক আৰু কৌটিল্য বা চাণক্য ইয়াৰ ৰচক হিচাপে আমি নামকৰণ কৰিব পৰাৰ যথেষ্ট থল আছে।

কৌটিল্যৰ অৰ্থশাস্ত্ৰখনি সৰ্বমুঠ ১৫ টা অধিকৰণত বা কিতাপত ভাগ কৰা হৈছে। প্ৰথম পাঁচটা অধিকৰণত ৰাষ্ট্ৰৰ আভ্যন্তৰীণ প্ৰশাসন ব্যৱস্থাৰ ওপৰত আলোকপাত কৰা হৈছে। ইয়াৰ পাছৰ আঠটা অধিকৰণত ৰাষ্ট্ৰৰ আভ্যন্তৰীণ ৰাষ্ট্ৰৰ ৰাজ্যবোৰৰ সৈতে থকা সম্বন্ধৰ কথা কোৱা হৈছে আৰু শেষৰ দুটা অধিকৰণত মিশ্ৰিত কেতবোৰ বিষয়ৰ বিষয়ে উল্লেখ কৰা হৈছে। তলত বিভিন্ন অধিকৰণ বা কিতাপ অনুসৰি উল্লেখ থকা বিষয়বোৰ উল্লেখ কৰা হ'ল।

১। ৰজা আৰু ৰাজকুমাৰ সকলৰ শিক্ষা, শৃংখলাবদ্ধতা আৰু তেওঁলোকৰ প্ৰয়োজনীয় গুণসমূহৰ কথা কোৱা হৈছে।

২। ইয়াত ৰাষ্ট্ৰৰ বিভিন্ন কাৰ্যবাহী বিষয়াসকলৰ কৰ্তব্যসমূহ বৰ্ণনা কৰা হৈছিল।

Scanned by CamScanner

৩। এই অধিকৰণত প্ৰশাসন আৰু ৰাষ্ট্ৰৰ আইন-কানুন ব্যৱস্থাৰ কথা কোৱা হৈছে।

৪। ইয়াত অপৰাধ আৰু অপৰাধীক দমনৰ কথা উল্লেখ কৰা হৈছে।

৫। এই অধিকৰণ সানমিহলি প্ৰকৃতিৰ আছিল। ইয়াত ৰাষ্ট্ৰৰ ৰাজভঁৰাল টনকিয়াল কৰা, বিষয়াসকলক দৰমহা প্ৰদান কৰা আদি বিষয়বোৰে গুৰুত্ব পাইছিল।

৬। ইয়াত আদৰ্শ ৰাষ্ট্ৰৰ ৬ প্ৰকাৰৰ প্ৰকৃতি অৰ্থাৎ সংবিধানৰ কথা কোৱা হৈছে। সেইকেইটা হৈছে— শান্তি, যুদ্ধ, অভিযান, নিৰপেক্ষ, সন্দেহ আৰু কৃত্ৰিমতা

৭। এই অধীকৰণ অন্তহীন আলোচনাৰে পূৰ্ণ। ইয়াত কূটনৈতিক ক্ষেত্ৰত ৬ প্ৰকাৰৰ ৰাজনৈতিক অভিযানৰ কথা কোৱা হৈছে।

৮। ইয়াত ৰাষ্ট্ৰৰ দুৰ্যোগ যেনে— বানপানী, জুই, বৃত্তীয় সংকটৰ পৰা উদ্ধাৰৰ পথৰ সন্ধান দিয়া হৈছে।

৯। যুদ্ধৰ প্ৰস্তুতি, জয়ৰ পথ নিৰ্মাণ আদি দিশত ই গুৰুত্ব দিছে।

১০। ই সামৰিক বিষয়াসকলৰ আত্মৰক্ষা তথা যুদ্ধৰ প্ৰশিক্ষণ দিয়া ব্যৱস্থাৰ কথা কৈছে। ৰাস্তা-ঘাট, দলং আদি নিৰ্মাণৰ কথাও এই অধিকৰণৰে অন্তৰ্গত।

১১। ইয়াত ৰজাই কেনেদৰে অৰ্থনীতিৰ মূল কেন্দ্ৰ গ্ৰীল্ডবোৰৰ সৈতে সু-সম্পৰ্ক বৰ্তাই ৰাখিব লাগে, কেনেদৰে ৰাজনৈতিক সহযোগিতা গঠন কৰিব লাগে তাৰ ওপৰত আলোকপাত কৰা হৈছে।

১২। এই অধিকৰণত এজন সৰু তথা দুৰ্বল ৰজাই এজন শক্তিশালী ৰজাৰ হাতৰ পৰা কেনেদৰে ৰক্ষা পৰিব পাৰে তাৰ কথা কোৱা হৈছে।

১৩। ই শত্ৰুৰ দুৰ্গ আৰু ৰাজ্য তথা ৰাজধানী অধিকাৰ কৰাৰ সৈতে জড়িত লগতে কেনেদৰে জয় কৰা ৰাজ্য শাসন কৰিব লাগে তাৰ কথাও ইয়াত কোৱা হৈছে।

১৪। ইয়াত বিভিন্ন প্ৰকাৰৰ গোপন প্ৰতিকাৰ আৰু ৰহস্যাবৃত্ত কেতবোৰ ধৰ্মীয় কাৰ্য শত্ৰু জয়ৰ বাবে কৰা কথা উল্লেখ কৰা হৈছে।

১৫। শেষ অধিকৰণত ধৰ্ম, অৰ্থ আৰু কৰ্মৰ ওপৰত আলোকপাত কৰা হৈছে।

Scanned by CamScanner

উল্লেখযোগ্য যে, মুঠ ৬ হাজাৰ শ্লোকেৰে পূৰ্ণ অৰ্থশাস্ত্ৰ গ্ৰন্থখনিয়ে স্বেচ্ছাচাৰী ৰাজতন্ত্ৰ সফলভাৱে পৰিচালনাৰ সূত্ৰ প্ৰদান কৰিছে। গ্ৰন্থখনিৰ মতে, ৰজা স্বেচ্ছাচাৰী হ'লেও তেওঁৰ সেই অত্যাচাৰ ব্ৰাহ্মণসকলৰ ওপৰত প্ৰদৰ্শন কৰা অনুচিত। ব্ৰাহ্মণসকলক মৃত্যুদণ্ড দিয়াটোও নিষেধ। যদি কোনোবাই ৰাজদ্ৰোহৰ দৰে অপৰাধ কৰে তেন্তে তেওঁক পানীত দলিয়াই দিয়াৰ ব্যৱস্থা আছিল। কিন্তু ব্ৰাহ্মণসকলৰ লগতে সন্যাসী সকলৰ স্বীকাৰোক্তিৰ বাবে কোনো শাৰীৰিক অত্যাচাৰ কৰাটো নিষেধ আছিল। অৰ্থশাস্ত্ৰই স্থায়ী শান্তি চুক্তিত অবিশ্বাসী, গ্ৰন্থখনিৰ মতে ৰজাৰ শক্তি আৰু ইচ্ছাই সৰ্বস্ব। ৰজাসকলে কাকো বিশ্বাস কৰা উচিত নহয়। চুবুৰীয়া ৰাজ্যবোৰক সদায় শত্ৰু বুলি ভাবিব লাগে। অৰ্থশাস্ত্ৰৰ মতে দুজন ৰজাৰ মাজত যুদ্ধ তথা শক্তিপৰীক্ষা অবিহনে কেতিয়াও শান্তি চুক্তি হ'ব নোৱাৰে। দুডাল লোৰ যেনেদৰে উত্তপ্ত নহ'লে যোৰা নালাগে ঠিক তেনেদৰে মিত্ৰতাৰ আগত যুদ্ধ হোৱাটো বাধ্যতামূলক বুলি অৰ্থশাস্ত্ৰখনে মতপোষণ কৰিছে। কৌটিল্যৰ মতে ৰজাসকলে ষড়যন্ত্ৰ কৰিব পৰাটোও এটা তেওঁলোকৰ ডাঙৰ গুণ। দেশত গুপ্তচৰ বিলাকক কামত লগোৱা ক্ষেত্ৰতো তেওঁ মতপোষণ কৰিছে। সেই উদ্দেশ্যে তেওঁ কৈছে যে— ৰজা হ'ল ৰাষ্ট্ৰৰ মূল, গতিকে তেওঁক কোনে ভালপাই আৰু কোনে বেয়াপাই অৰ্থাৎ কোন তেওঁৰ মিত্ৰ আৰু কোন শত্ৰু জনাটো ৰজাৰ খুবেই প্ৰয়োজন। সেয়ে গুপ্তচৰ বিলাকে ৰজাৰ বিষয়ে ৰাইজেনো কি কয় তাকে জানিবলৈ বিভিন্ন ৰূপত ৰাইজৰ মাজত ঘুৰি-ফুৰি ৰজালৈ গোপন তথ্যবোৰ লৈ যোৱা প্ৰয়োজন। এই বাবেই মৌৰ্য শাসন ব্যৱস্থাত বহুতো গুপ্তচৰ নিয়োগ কৰা হৈছিল। কৌটিল্যৰ মতে ৰজাৰ গাত ইন্দ্ৰ আৰু যম দুয়ো গুণেই থকা প্ৰয়োজন। প্ৰজাৰ সুখ-দুখৰ প্ৰতি দৃষ্টি ৰখাটো ৰজাৰ মূল কৰ্তব্য। প্ৰজাক নিজৰ সন্তানৰ দৰে মৰম কৰি সকলো দুৰ্যোগৰ পৰা নিৰাপত্তা দিয়াই ৰজাৰ প্ৰকৃত ধৰ্ম বুলি কৌটিল্যই মতপ্ৰকাশ কৰিছে। তেওঁৰ মতে, প্ৰজাৰ সুখেই ৰজাৰ সুখ আৰু প্ৰজাৰ দুখেই ৰজাৰ দুখ হোৱাটো প্ৰয়োজন। এই সকলোবোৰ দিশ চালি-জাৰি চাই কৌটিল্যৰ অৰ্থশাস্ত্ৰক ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ বিশ্বস্ত দলিল হিচাপে আমি নামকৰণ কৰিব পাৰোঁ। যিখন গ্ৰন্থৰ ঐতিহাসিক মূল্যক আমি কোনো কাল অস্বীকাৰ কৰিব নোৱাৰোঁ। এনে এখন বহু মূল্যবান ৰাজনৈতিক আৰু প্ৰশাসন যন্ত্ৰৰ হাতপুথিৰ

Scanned by CamScanner